# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 10-03-2026
**Time :** 1205 Hrs.

## *Assamese Midday Bulletin*
## HEADLINE

১।	গুৱাহাটীৰ খানাপাৰৰ বিশেষ অনুষ্ঠানত ৰাজ্যৰ ৪০ লাখ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত ৯ হাজাৰ টকাকৈ প্ৰদান মুখ্যমন্ত্ৰীৰ।

২।	ৰাজ্য চৰকাৰে গুৱাহাটীৰ সমীপৰ সোণাপুৰৰ টেপেচিয়াত নিৰ্মাণ কৰা বিজ্ঞান নগৰী গুৱাহাটী চৌহদ আজি মুকলি।

৩।	গুৱাহাটীৰ নুনমাটিৰ পৰা গুৱাহাটী ক্লাব সংযোগী উৰন সেতু আজি মুকলি মুখ্যমন্ত্ৰীৰ।

*আৰু*

৪।	অহা ১৩ মাৰ্চত দুদিনীয়া কাৰ্যসূচীৰে অসমলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ খানাপাৰত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অনুষ্ঠিত বিশেষ অনুষ্ঠানত  ৰাজ্যৰ ৪০ লাখ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত ৯ হাজাৰ টকাকৈ প্ৰদান কৰে। ৰাজ্য চৰকাৰে মুঠ ৩ হাজাৰ ৬০০ কোটি টকা অৰুণোদয় হিতাধিকাৰীৰ বাবে ব্যয় কৰিব।    আজিৰ এই অনুষ্ঠান ঐতিহাসিক বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে আজি ৰাজ্যৰ তিনি হাজাৰ ৮০০ ৰো অধিক স্থানৰ গাঁও পৰিষদ উন্নয়ন সমিতি, স্বায়ত্ত শাসিত পৰিষদ সমষ্টি, গাঁও পঞ্চায়ত, গাঁও উন্নয়ন সমিতি আৰু বিভিন্ন ৱাৰ্ডত আয়োজিত অনুষ্ঠানত হিতাধিকাৰীসকলক ধনৰাশি প্ৰদান কৰা হৈছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে আজিলৈকে অৰুণোদয় আঁচনিৰ অধীনত ১৭ হাজাৰ কোটি টকা ব্যয় কৰা হৈছে। এই অনুষ্ঠানত বিত্তমন্ত্ৰী অজন্তা নেওগ, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যও উপস্থিত থাকে।

০০০০০০০

বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে গুৱাহাটীৰ সমীপৰ সোণাপুৰৰ টেপেচিয়াত নিৰ্মাণ কৰা বিজ্ঞান নগৰী গুৱাহাটী চৌহদ আজি মুকলি কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। উদ্বোধনী অনুষ্ঠানত বিজ্ঞান আৰু প্ৰযুক্তি আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তয়ো অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে, বিজ্ঞান নগৰীত ডিজিটেল এডভেঞ্চাৰ, ভাৰ্চুৱেল ৰিয়েলিটি, ধেমালিৰ মাজেৰে বিজ্ঞান, জ্যোৰ্তিবিজ্ঞান বীথিকা,  গোলকৰ জ্ঞান আৰু অ'গ্নি থিয়েটাৰ আদি বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হৈছে। ইপিনে ৰাজ্য চৰকাৰে কামৰূপ, বঙাইগাঁও, মাজুলী, কাছাৰ আৰু নগাঁৱত নিৰ্মাণ কৰা জিলা বিজ্ঞান কেন্দ্ৰ আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হ'ব। বিজ্ঞান নগৰী গুৱাহাটী চৌহদত আজি আয়োজিত অনুষ্ঠানতে জিলা বিজ্ঞান কেন্দ্ৰ উদ্বোধন কৰা হ'ব।

০০০০০০০

গুৱাহাটীৰ নুনমাটিৰ পৰা গুৱাহাটী ক্লাব সংযোগী মহাৰাজ পৃথু উৰন সেতুখন আজি বিয়লি ৫ বজাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে মুকলি কৰিব। পাঁচ দশমিক পাঁচ কিলোমিটাৰ দৈৰ্ঘ্যৰ সেতুখন ৮৫০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে। সেতুখনৰ আধাৰশিলা  ২০২৪ চনৰ ১ জানুৱাৰীত স্থাপন কৰা হৈছিল। উত্তৰ-পূৰ্বাঞ্চলৰ আটাইতকৈ দীঘল উৰণ সেতুখনৰ মুকলি উপলক্ষে আয়োজন কৰা অনুষ্ঠানত গুৱাহাটী লোকসভা সমষ্টিৰ

সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটী বিধানসভা সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াও অংশগ্ৰহণ কৰিব। নিৰ্ধাৰিত ৩৬ মাহৰ বিপৰীতে ২৮ মাহতে এই উৰণ সেতুখনৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। এই উৰণ সেতুখন নিৰ্মাণৰ ফলত যানজঁট হ্ৰাস পোৱাৰ লগতে জনসাধাৰণে যাতায়াতৰ ক্ষেত্ৰত সকাহ পাব বুলি আশা কৰা হৈছে।

০০০০০০০

অহা ১৩ মাৰ্চত দুদিনীয়া কাৰ্যসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী  অসমলৈ আহিব। এই ভ্ৰমণ কালত প্ৰধানমন্ত্ৰীয়ে ৩৭ হাজাৰ ৫০০ কোটি ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। কাৰ্যসূচী অনুসৰি প্ৰধানমন্ত্ৰীয়ে প্ৰথমে কোকৰাঝাৰত এখন জনসভাত অংশগ্ৰহণ কৰিব। তাত তেওঁ ৪ হাজাৰ ৫৭৪ কোটি টকাৰ আন্তঃগাঁথনি প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। কোকৰাঝাৰৰ পৰা শ্ৰী মোদী গুৱাহাটীলৈ আহিব আৰু গুৱাহাটীত ৮ হাজাৰ ৮৪১ কোটি টকাৰ এলানি প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে ৭৮০ কোটি টকা ব্যয় সাপেক্ষ নুমলীগড়-শিলিগুড়ি প্ৰডাক্ট পাইপ লাইনৰ ক্ষমতা বৃদ্ধি প্ৰকল্প উদ্বোধন কৰিব। তেওঁ লগতে ৩ হাজাৰ ৬৩৩ কোটি টকা ব্যয় সাপেক্ষ তিনিচুকীয়া-ফৰকাটিং দ্বৈত ৰে'ল লাইন আৰু এহেজাৰ ১৮০ কোটি ব্যয়েৰে নিৰ্মাণ কৰা চাপৰমুখ-ডিব্ৰুগড় ৰে'লপথৰ বৈদ্যুতিকীকৰণৰ প্ৰকল্প মুকলি কৰিব। তেওঁ ৰাজ্যৰ ২০ হাজাৰ চাহ শ্ৰমিকক ভূমিপট্টা বিতৰণৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীয়ে পশ্চিম কাৰ্বি আংলঙত দুহেজাৰ ৩২০ কোটি টকা ব্যক্ষ সাপেক্ষ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ উৎপাদন প্ৰক্ৰিয়াৰো শুভাৰম্ভ কৰিব। ১৪ মাৰ্চত শিলচৰত শ্ৰীমোদীয়ে ২৪ হাজাৰ ৫০৫ কোটি টকাৰ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

প্ৰধানমন্ত্ৰীয়ে শিলচৰত তিনিটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব আৰু এটা প্ৰকল্প উদ্বোধন কৰিব। তেওঁ লগতে এখন সমাৰেশতো অংশ গ্ৰহণ কৰিব। শ্ৰীমোদীয়ে পাঁচগ্ৰামৰ পৰা বৰাপানীলৈ নিৰ্মাণ হ'বলগীয়া ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয়সাপেক্ষ এক্সপ্ৰেছ হাইৱে প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্প সম্পূৰ্ণ হ'লে চাৰে ৪ ঘণ্টাৰ ভিতৰত শিলচৰৰ পৰা গুৱাহাটীলৈ যাতায়াত সম্ভৱ হ'ব। প্ৰধানমন্ত্ৰীয়ে কেপিটেল পইণ্টৰ পৰা ৰাংগিৰখাৰীলৈ চাৰে ৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ উৰণ সেতু আৰু শ্ৰীভূমি জিলাৰ পাথাৰকান্দিত কৃষি মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০০০

ৰাজ্যৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে এ আই ইউ ডি এফ দলে কালি ৯ জনীয়া প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। বিজেপিয়ে ১৭ মাৰ্চৰ ভিতৰত প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

কংগেছে চলিত সপ্তাহতে দ্বিতীয়খন প্ৰাৰ্থী তালিকা ঘোষণা কৰিব বুলি সাংসদ তথা প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে প্ৰকাশ কৰিছে। ইয়াৰ আগেয়ে দলে ৪২ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছিল।

অসম গণ পৰিষদে দুই-এদিনতে প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি দলৰ সভাপতি অতুল বৰাই কালি আমবাৰীত অনুষ্ঠিত বৈঠকৰ পাছত প্ৰকাশ কৰে। বিজেপিৰে মিত্ৰতা সন্দৰ্ভত এতিয়াও চূড়ান্ত সিদ্ধান্ত হোৱা নাই বুলি শ্ৰী বৰাই উল্লেখ কৰে।

০০০০০০০

অসমৰ বিভিন্ন জিলাৰ ৰেডিঅ' প্ৰেমী শ্ৰোতাসকলক লৈ গঠিত সংযুক্ত অনাতাঁৰ শ্ৰোতা সংঘ অসমৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস অহা ১৫ মাৰ্চত ধেমাজিত উদযাপন কৰা হ'ব। ধেমাজিৰ মাছখোৱাৰ বৰপাক মধ্য ইংৰাজী বিদ্যালয় চৌহদত আয়োজন কৰা দিনজোৰা কাৰ্যসূচীত আকাশবাণীৰ কেইবাগৰাকীও বিষয়া-কৰ্মচাৰীৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ হোৱাৰ পাছত দুপৰীয়া জীৱনৰ বিভিন্ন স্তৰত আকাশবাণীৰ বিভিন্ন অনুষ্ঠানৰ গুৰুত্ব শীৰ্ষক এখন আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। এই অনুষ্ঠানতে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি পৰিৱেশিকা জিণ্টী ৰাণী ডেকা আৰু পৰিস্মিতা দিহিঙীয়াক শ্ৰেষ্ঠ বাতৰি পৰিৱেশিকা বঁটা,

আকাশবাণী গুৱাহাটীৰ ঋতুপৰ্ন দাসক নাট্য প্ৰভাকৰ বঁটা, টিয়কৰ কণ্ঠশিল্পী ৰুণু বৰগোহাঁইক সংগীত শিল্পী বঁটা, জাঁজীৰ সাংবাদিক দিগন্ত শৰ্মাক যুৱ সাংবাদিকতা বঁটা আৰু জাঁজীৰ প্ৰণৱ কুমাৰ দত্তক শ্ৰেষ্ঠ শ্ৰোতা অনুৰাগী বঁটা প্ৰদান কৰা হ'ব। তদুপৰি আকাশবাণী ডিব্ৰুগড়ৰ তৌফিকা উল্লাহক অতিথি শিল্পী বঁটা, টিয়কৰ মানৱ জ্যোতি কটকী, ধেমাজিৰ অনুপ্ৰমা শইকীয়াক শ্ৰোতা বন্ধু বঁটা প্ৰদান কৰা হ'ব।

0000000

কৃষি বিভাগৰ অভিযানন্ত্ৰিক শাখাৰ কৃষি যান্ত্ৰিকীকৰণ উপ আঁচনিৰ অধীনত কালি বোকাখাটত কৃষি মন্ত্ৰী অতুল বৰাই কৃষিৰ ক্ষেত্ৰত প্ৰয়োজনীয় যান্ত্ৰিক সা-সঁজুলি বিতৰণ কৰে। বোকাখাট সমজিলাৰ ৬০গৰাকী আবেদনকাৰী কৃষকক পাৱাৰ টিলাৰৰ দৰে যান্ত্ৰিক সঁজুলি বিতৰণ কৰি মন্ত্ৰী গৰাকীয়ে কৃষি বিভাগত বিগত সময়ছোৱাত বিজ্ঞান সন্মত উন্নয়ন কৰা হৈছে বুলি মন্তব্য কৰে। তেওঁ কৃষি বিভাগৰ বিভিন্ন উন্নয়নমূলক আঁচনি সম্পৰ্কে অৱগত কৰাৰ লগতে উন্নয়নৰ খতিয়ানও দাঙি ধৰে।

0000000

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী বিৰেন সিং ইংতিৰ আজি গুৱাহাটীৰ এখন চিকিৎসালয়ত মৃত্যু হয়। ডিফু লোকসভা সমষ্টিৰ পৰা সাতবাৰ সাংসদ হিচাপে নিৰ্বাচিত হোৱা জ্যেষ্ঠ নেতাগৰাকী বিগত কিছুদিন ধৰি অসুস্থ হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯০ বছৰ।

0000000

মহিলাৰ এফ আই এইচ বিশ্বকাপ ২০২৬ হকী কোৱালিফায়াৰ্ছৰ পুল-বিৰ এখন খেলত ভাৰত আৰু স্কটলেণ্ডৰ মাজৰ খেলখন ২-২ ফলাফলত ড্ৰ' হয়। হায়দৰাবাদত কালি সন্ধিয়া অনুষ্ঠিত খেলখনত ভাৰতে বিৰতিৰ পৰলৈকে ২-১ ফলাফলেৰে শক্তিশালী স্থিতিত আছিল যদিও স্কটলেণ্ডে খেলখনৰ তৃতীয়াৰ্ধত আন এটা গ'ল দি সমতা স্থাপন কৰে। সম্প্ৰতি মহিলাৰ বিশ্বকাপ হকী প্ৰতিযোগিতাত খেলাৰ বাবে যোগ্যতা অৰ্জনৰ উদ্দেশ্যে চিলিৰ ছাণ্টিয়াগ' আৰু হায়দৰাবাদত দুখন প্ৰতিযোগিতা চলি আছে। ছাণ্টিয়াগ' আৰু হায়দৰাবাদৰ যোগ্যতা নিৰ্ণয়কাৰী প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয়স্থান লাভ কৰা দলকেইটাই ২০২৬ চনৰ মহিলা হকী বিশ্বকাপত খেলাৰ বাবে পোনপটীয়া সুযোগ লাভ কৰিব। চলিত বৰ্ষত বেলজিয়াম আৰু নেডাৰলেণ্ডছে যুটীয়াভাৱে মহিলা হকী বিশ্বকাপ প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

0000000

**সমাপ্ত**